# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-April-2026
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

―――――――――――――――――――――――

## HEADLINES

::::::::::::::::::

১। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি নিশা চাৰে আঠ বজাত ৰাষ্ট্ৰক উদ্দেশি ভাষণ।

২। কৰ্মচাৰী আৰু পেন্সনাৰলৈ মৰগীয়া বানচ-মৰগীয়া সাহায্যৰ অতিৰিক্ত কিস্তি মোকলাই দিয়াৰ প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

৩। ৰাজ্যজুৰি মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱৰ ৪২৮ সংখ্যক তিৰোভৱ তিথি পালন।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ দেলহী কেপিটেলছক ১৭৬ ৰানৰ লক্ষ্য।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা চাৰে আঠ বজাত ৰাষ্ট্ৰক উদ্দেশি ভাষণ দিব। লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণৰ সৈতে জড়িত সংবিধান সংশোধনী বিধেয়ক বিৰোধী পক্ষৰ দলসমূহৰ সমৰ্থন লাভ নকৰাৰ বাবে দুই-তৃতীয়াংশ সংখ্যা গৰিষ্ঠতাৰে গৃহীত নোহোৱাৰ এদিন পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে দিবলগীয়া এই ভাষণ বিশেষ তাৎপৰ্যপূৰ্ণৰূপে বিবেচিত হৈছে। সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ মাধ্যমেৰে মহিলাৰ বাবে আসন সংৰক্ষণ ব্যৱস্থা বলৱৎকৰণৰ সৈতে জড়িত প্ৰস্তাৱিত বিধেয়কখনে দীঘলীয়া বিতৰ্কৰ অন্তত সদনৰ অনুমোদন লাভ কৰাত ব্যৰ্থ হৈছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই পহিলা জানুৱাৰীৰ পৰা প্ৰযোজ্য কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকললৈ মৰগীয়া বানচ আৰু পেন্সনাৰসকললৈ মৰগীয়া সাহায্যৰ অতিৰিক্ত কিস্তি মোকলাই দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কৰ্মচাৰী আৰু পেন্সনাৰসকলক মূল্যবৃদ্ধিৰ পৰা সকাহ দিয়াৰ উদ্দেশ্যে মৰগীয়া বানচ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা ৬০ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

নতুন দিল্লীত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে মৰগীয়া বানচ আৰু মৰগীয়া সাহায্য বৃদ্ধিৰ এই সিদ্ধান্ত ফলত ৰাজকোষৰ ওপৰত বছৰি ছহেজাৰ ৭৯১ কোটি টকাৰ বোজা পৰিব। এই সিদ্ধান্তই ৫০ লাখৰো অধিক কেন্দ্ৰীয় কৰ্মচাৰী আৰু ৬৮

লাখৰো অধিক পেন্সনভোগী উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী বৈষ্ণৱে কয়, যে মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী গ্ৰাম চৰক যোজনাৰ তৃতীয় পৰ্যায় ২০২৮ৰ মাৰ্চলৈকে অব্যাহত ৰখাত অনুমোদন দিছে। যোৱা বছৰ মাৰ্চত যোজনাখনৰ তৃতীয় পৰ্যায় অন্ত পৰাৰ কথা আছিল। তেওঁ কয়, যে পিছপৰা দুৰ্গম অঞ্চলসমূহক গ্ৰাম্য কৃষি বজাৰ, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু চিকিৎসালয়ৰ সৈতে সংযুক্ত কৰা মূল পথ আৰু গ্ৰাম্যঞ্চলৰ যোগাযোগ ব্যৱস্থা সুদৃঢ়কৰণত এই সিদ্ধান্তই সহায় কৰিব। তেওঁ কয়, যে এই আঁচনিৰ বাবে ৮৩ হাজাৰ ৯৭৭ কোটি টকাৰ সংশোধিত ব্যয় ধাৰ্য্য কৰা হৈছে। মন্ত্ৰীসভাই ভৈয়াম এলেকাৰ পথ আৰু দৰং নিৰ্মাণৰ সময় সীমা ২০২৮ চনৰ মাৰ্চলৈ আৰু পাহাৰীয়া এলেকাৰ পথ নিৰ্মাণৰ সময়সীমা ২০২৯ চনৰ মাৰ্চ পৰ্যন্ত বৃদ্ধি কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱৰ আজি ৪২৮ সংখ্যক পবিত্ৰ তিৰোভাৱ তিথি ৰাজ্যজুৰি পালন কৰা হৈছে। এই উপলক্ষে মহাপুৰুষজনাৰ লগতে তেওঁৰ শিষ্যসকলে প্ৰতিষ্ঠা কৰা সত্ৰসমূহত পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। পাটবাউসী সত্ৰৰ প্ৰতিষ্ঠাপক তথা একশৰণ নামধৰ্মৰ প্ৰচাৰক শ্ৰীশ্ৰী দামোদৰদেৱৰ তিৰোভাৱ তিথি উদ্দেশ্যে আজি পুৱাৰে পৰা তেওঁৰ শিষ্যসকলে কৰভাৰ লৈ সত্ৰখনলৈ আহে। মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ অধিকাৰ প্ৰণৱ কুমাৰ শৰ্মা আৰু কাৰ্যকৰী সংঘাধিকাৰ ৰাজেন্দ্ৰজিৎ কাকতিৰ নেতৃত্বত এটা প্ৰতিনিধি দলে পৰম্পৰা ৰক্ষা কৰি কৰভাৰ প্ৰদান কৰে। পুৱাৰ প্ৰসংগৰ পাছত দুপৰীয়াৰ পৰা মুকলি নাম পৰিবেশন কৰা হয়। গুৰুজনাৰ তিৰোভাৱ তিথি উপলক্ষে আজি সত্ৰখনলৈ বহু লোকৰ আগমন হয়।

মাজুলীৰ শ্ৰীশ্ৰীআউনীআটি সত্ৰটো মহাপুৰুষগৰাকীৰ তিৰোভাৱ তিথি ধৰ্মীয় পৰম্পৰাৰে পালন কৰা হয়। পুৱাৰে পৰা সত্ৰখনত নৈমিত্তিক নাম প্ৰসংগৰ লগতে বিশেষ প্ৰসংগৰো আয়োজন কৰা হয়। ইয়াৰ লগতে সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীৰ পৃষ্ঠপোষকতাত গুৱাহাটীৰ এটি নাগাৰা নাম দলে তিথি উপলক্ষে নাম পৰিবেশন কৰে। ইয়াৰ লগতে ২০১২ চনৰ পৰা দামোদৰদেৱ ন্যাস সমিতিয়ে প্ৰদান কৰি অহা দামোদৰদেৱ বঁটা ২০২৬ যোৰহাটৰ নিৱন্ধকাৰ, সমালোচক দীপক শইকীয়াক প্ৰদান কৰা হয়।

সত্ৰখনত তিথি পালনৰ বিতং তথ্যৰ সৈতে এয়া সত্ৰৰ বঁটা ন্যাস সমিতিৰ বিষয়ববীয়া তুলসী ৰাজখোৱা।

বাইট-তুলসী ৰাজখোৱা

মহাপুৰুষজনাৰ তিৰোভাৱ তিথি উপলক্ষে গোৱালপাৰা জিলাতো বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। জিলাখনৰ দামোদৰ সেৱাশ্ৰমত ৩ দিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰীদামোদৰদেৱৰ মহাপ্ৰয়ান তিথি পালন কৰা হয়। এই উপলক্ষে সেৱাশ্ৰমত কালি চাফাই অভিযান, ধৰ্মধবজা উত্তোলন, গছপুলি ৰোপণ, বন্তি প্ৰজ্বলন, সন্ধিয়াৰ প্ৰসংগ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি পুৱাৰে পৰা আইসকলে নাম-প্ৰসংগৰে সেৱাশ্ৰম চৌহদ মুখৰ কৰি তোলে। কাইলৈ ধৰ্মীয় সভাৰ জৰিয়তে কাৰ্যসূচীৰ অন্ত পৰিব। ইফালে কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া চৌধুৰীপাৰাৰ শ্ৰীশ্ৰী পোৰাভিঠা সত্ৰতো আজি শ্ৰীশ্ৰী দামোদৰদেৱৰ তিথি পালন কৰা হৈছে। তিথিৰ লগত সংগতি ৰাখি কালি সন্ধিয়া নাম-প্ৰসংগৰে মণিকূটৰ পৰা বিগ্ৰহ সভাঘৰলৈ অনাৰ পাছত নিশাৰ ভাগৱত পাঠ কৰা হয়। বাক্সা জিলাৰ কাৰহানাৰ শ্ৰীশ্ৰীদামোদৰ দেৱ ধামত আজি মহাপুৰুষজনাৰ তিৰোভাৱ তিথি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে ভকতসকলে শৰাই আগবঢ়াই শাস্ত্ৰ পাঠ কৰে। মৰিগাঁও জিলাৰ বনসত্ৰত আজি দিনযোৱা

কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাৱ তিথি পালন কৰা হয়। দুপৰীয়া নাম প্ৰসংগৰ পাছত ধৰ্ম আলোচনা সভা অনুষ্ঠিত হয়। সত্ৰখনৰ সত্ৰাধিকাৰ পংকজ দেৱগোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত শ্ৰীশ্ৰী দামোদৰ দেৱে প্ৰৱৰ্তন কৰা বৈদিক ভাগৱতী বৈষ্ণৱ ধৰ্ম সন্দৰ্ভত ব্যাখ্যা আগবঢ়োৱা হয়।

০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি পঞ্চম দিনটো ৰাজ্যত নাঙল বিহুৰূপে পালন কৰা হৈছে। পৰম্পৰা অনুসৰি ৪ ব'হাগত এই নাঙল বিহু উপলক্ষে খেতিয়কসকলে পথাৰত হাল বোৱাৰ পূৰ্বে কৃষি সঁজুলিসমূহৰ প্ৰতি সন্মান জনাই এই উৎসৱ পালন কৰে। কৃষিজীৱি অসমীয়াৰ জীৱনত এই বিহুৰ বিশেষ গুৰুত্ব আছে। মাজুলীত উজনি মাজুলীৰ ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক খেলপথাৰত আয়োজিত বহাগী উৎসৱত নাঙল বিহুৰ পৰম্পৰা অনুযায়ী নাঙলৰ যতনৰ প্ৰতিকী উপস্থাপন কৰা হয়। ইয়াৰ লগতে প্ৰায় ৫০০ গৰাকী ঢুলীয়া নাচনীৰ বিহু নাচ পৰিবেশনেৰে অনুষ্ঠানটো শুভাৰম্ভ কৰা হয়।

ইফালে ব'হাগ বিহুৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন ঠাইত বিভিন্ন জাতি জনগোষ্ঠীসমূহে নিজৰ বসন্তোৎসৱ সমূহ পালন কৰিছে। ধেমাজী জিলাত ডেকা-গাভৰুৰ হুছৰি বিহু, জেং বিহুৰ লগতে সোণোৱাল কছাৰী জনগোষ্ঠীৰ হাইদাং হুছৰি মৰাা দেখা গৈছে। এই সন্দৰ্ভত জনগোষ্ঠীটোৰ এগৰাকী জ্যেষ্ঠ লোকে আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাৰ আগত এইদৰে কয়।

বাইট

০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তৰ ঐতিহ্যৰ সমলসমূহ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই দিনটো কীৰ্তি চিহ্ন আৰু ঐতিহ্যময় স্থানসমূহৰ দিন হিচাপেও জনা যায়। এই বছৰ এই দিৱসৰ বিষয় বস্তু হৈছে - 'সংঘাত আৰু দুৰ্যোগপূৰ্ণ সময়ৰ প্ৰেক্ষাপটত ঐতিহ্য সমলসমূহৰ প্ৰতি জৰুৰীকালীন সঁহাৰি প্ৰদান। বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সুৰক্ষা তথা সেইসমূহৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে।

ইযাৰ জৰিয়তে অতীতৰ গৌৰৱময় ইতিহাসৰ সমলসমূহ ভৱিষ্যত প্ৰজন্মলৈ লৈ যোৱাৰ লগতে এই ঐতিহ্যৰ প্ৰতি সন্মান প্ৰদৰ্শনৰো দিহা কৰা হৈছে।

ভাৰতীয় পুৰাতত্ব জৰীপ বিভাগে ইয়াৰ অধীনৰ দেশৰ বিভিন্ন প্ৰান্তৰ কীৰ্তি চিহ্ন তথা স্থানসমূহ আজি জনসাধাৰণৰ বাবে প্ৰৱেশ বিনামূলীয়া কৰিছে। উত্তৰ পূৱ মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আৰু নিৰ্বাকৰ সহযোগত আজি গুৱাহাটীৰ কামাখ্যা মন্দিৰ প্ৰাঙ্গনত এই দিৱস উপলক্ষে কাৰ্যসূচী লোৱা হয়। এই উপলক্ষে ছাফাই অভিযান আৰু মুকাভিনয় প্ৰদৰ্শন কৰা হয়।

যোৰহাট জিলাতো বিশ্ব ঐতিহ্য দিৱসৰ সমান্তৰালভাৱে জিলা আয়ুক্ত জয় শিৱানীয়ে লাচিত মৈদামৰ পৰিদৰ্শন কৰে। মৈদাম প্ৰকল্পৰ পৰিচালনা আৰু ৰক্ষণা বেক্ষনাৰ কাম-কাজসমূহ নিয়মীয়া কৰাৰ লগতে আয়ুক্তগৰাকীয়ে পৰ্যটকৰ বাবে উন্নত সুবিধা সুনিশ্চিত কৰাটো গুৰুত্ব দিয়ে। যোৰহাটৰ পৰ্যটন উদোগক অধিক শক্তিশালী আৰু জনপ্ৰিয় কৰাৰ উদ্দেশ্যেৰে সঠিক ব্যৱস্থাপনা গঢ়ি তুলিবলৈ সংশ্লিষ্ট বিভাগৰ বিষয়ববীয়াক নিৰ্দেশনা প্ৰদান কৰে।

০০০০০

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ খন উপত্যকা জিলা পশ্চিম ইম্ফল, পূৰ্ব ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত মোবাইল ইণ্টাৰনেট সেৱা বন্ধ ৰখাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিছে।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত যোৱা ৬ এপ্ৰিলৰ নিশা অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৱে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হয়।

ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ গৃহ বিভাগে যোৱা ৭ এপ্ৰিলৰ পৰা জিলাকেইখনত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা সাময়িকভাৱে বন্ধ ঘোষণা কৰে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুই দেলহী কেপিটেলছক জয়ৰ বাবে ১৭৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাংগালুৰুই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। বাংগালুৰুৰ হৈ ফিলিপ ছল্টে সৰ্বাধিক ৬৩ ৰান কৰে। দেলহি কেপিটেলছৰ অক্ষৰ পেটেল, কুলদীপ যাদৱ আৰু লুংগি এন গিদিয়ে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত দেলহী কেপিটেলছে বাতৰি যুগুতোৱাৰ পৰলৈকে ৩ অভাৰত ৩ টা উইকেট হেৰুৱাই ২২ ৰান সংগ্ৰহ কৰি খেলি আছে।

ইপিনে হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

00000

সোণাপুৰৰ অসম ডনবস্ক' বিশ্ববিদ্যালয়ত অনুষ্ঠিত অষ্টম পুৰুষ-মহিলা ৰাষ্ট্ৰীয় যুৱ বক্সিং চেম্পিয়নশ্বিপত অসমৰ দুটা পদক নিশ্চিত হৈছে। অসমৰ সন্দীপ বসুমতাৰী আৰু নিকশিতা কোঁৱৰে চেমিফাইনেলত প্ৰৱেশ কৰিছে আৰু ৰাজ্যৰ বাবে পদক নিশ্চিত কৰিছে। সন্দীপে যোৱা নিশা ল'ৰাৰ ৮০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত উত্তৰাখণ্ডৰ বক্সাৰক অনায়াসে পৰাস্ত কৰি চেমিফাইনেলত স্থান নিশ্চিত কৰে। একেদৰে নিকশিতাই ছোৱালীৰ ৬৫ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত মণিপুৰৰ প্ৰতিদ্বন্দ্বীক ৩-২ ফলাফলত পৰাভূত কৰে। অসমৰ মুঠ পাঁচ গৰাকী বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল যদিও তিনিগৰাকীয়ে পৰাজয়ৰ সন্মুখীন হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। অৱশ্যে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত আটাইকেইগৰাকী খেলুৱৈয়ে আসন্ন খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত খেলাৰ যোগ্যতা অৰ্জন কৰিছে।

00000

যোৰহাট নগৰৰ ফাঁচিআলি নিবাসী, সমাজসেৱক ইকবাল খানৰ আজি বিয়লি নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ।

00000

সমাপ্ত